অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং -৪১
উত্তৰ দিয়াৰ তাৰিখ – ১৭-০৭-২০২২

বিষয়: চাহ জনগোষ্ঠীৰ উচচ শিক্ষাৰ বাবে সংৰক্ষিত আসনৰ সন্দৰ্ভত ।
বিধায়ক – শ্ৰী ৰূপেশ গোৱালা :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ বিশ্ববিদ্যালয় সমূহত চাহ জনগোষ্ঠীৰ শিক্ষাৰ্থী সকলৰ উচচ শিক্ষাৰ বাবে কিমান সংখ্যক সংৰক্ষিত আসন আছে ? যদি নাই, ইয়াৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ? সবিশেষ জনাব ।

(খ) অসমৰ B.Ed. মহাবিদ্যালয় সমূহত চাহ জনগোষ্ঠীৰ শিক্ষাৰ্থী সকলৰ বাবে সংৰক্ষিত আসন আছে নেকি ? যদি নাই, ইয়াৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

**- উত্তৰ -**

2

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডা: ৰণোজ পেগু দেৱে উত্তৰ দিব :-

(ক) বিশ্ববিদ্যালয় সমূহৰ পৰা পোৱা তথ্য অনুযায়ী অসমৰ ডিব্ৰুগড বিশ্ববিদ্যালয়ত চাহ জনগোষ্ঠীৰ শিক্ষাৰ্থী সকলৰ উচ্চ শিক্ষাৰ বাবে কলা, বাণিজ্য আৰু বিজ্ঞান বিভাগত ৮ (আঠ) খন আসন সংৰক্ষিত ৰখা হৈছে । বাকী বিশ্ববিদ্যালয় সমূহত প্ৰত্যক্ষভাবে এনে সংৰক্ষণৰ ব্যৱস্থা নাই ।

(খ) B.Ed. পাঠ্যক্ৰমৰ নামভৰ্তিকৰণ প্ৰক্ৰিয়াটো সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰ অধীনস্থ ।

--oooooo--